জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৪০/২০২২**

**মুখ্যমন্ত্ৰীৰ যুৱ পেছাদাৰী কাৰ্যসূচী ৰূপায়ণৰ বাবে অসম চৰকাৰ আৰু আই আই এম বেংগালুৰুৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ**

# জনসাধাৰণক চৰকাৰী সেৱা প্ৰদানৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ যুৱ পেছাদাৰী কাৰ্যসূচীয়ে বহু যোগাত্মক পৰিৱৰ্তন আনিবঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ নৱেম্বৰ ঃ** স্বাস্থ্য, শিক্ষা, মহিলা আৰু শিশুৰ বিকাশৰ ক্ষেত্ৰত এক চমকপ্ৰদ পৰিৱৰ্তন অনাৰ পদক্ষেপৰ অন্তৰ্গত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি জনতা ভৱনত অনুষ্ঠিত এক কাৰ্যসূচীত অসম চৰকাৰে ইণ্ডিয়ান ইনষ্টিটিউট অফ মেনেজমেণ্ট, বেংগালুৰুৰ সৈতে মুখ্যমন্ত্ৰীৰ যুৱ পেছাদাৰী কাৰ্যসূচী ২০২৩-২৫ (চীফ মিনিষ্টাৰছ ইয়ং প্ৰফেশ্যনেল প্ৰগেম ২০২৩-২৫) শীৰ্ষক এক পদক্ষেপৰ ৰূপায়ণৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

উল্লেখযোগ্য যে চৰকাৰী প্ৰশাসন ব্যৱস্থাটোৰ সহায়ক হোৱাকৈ এক দায়বদ্ধ আৰু দক্ষ নেতাৰ কেডাৰ গঢ়ি তুলিবলৈ অসম চৰকাৰৰ হৈ মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা আৰু আই আই এম বেংগালুৰুৰ হৈ সঞ্চালক অধ্যাপক ঋষিকেশ টি কৃষ্ণনে এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। মুখ্যমন্ত্ৰীৰ যুৱ পেছাদাৰী কাৰ্যসূচীৰ অধীনত স্বাস্থ্য, শিক্ষা, মহিলা আৰু শিশুৰ বিকাশ সংক্ৰান্তীয় কেতবোৰ নিৰ্দিষ্ট খণ্ডত জনসাধাৰণক প্ৰদান কৰা সেৱাৰ উন্নতি সাধনৰ দিশত জিলা প্ৰশাসনক হ্ৰস্বম্যাদী সহায় আগবঢ়োৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

এই উপলক্ষে ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ প্ৰশাসনিক ইতিহাসৰ বুৰঞ্জীত আজিৰ দিনটো অতি উল্লেখযোগ্য বুলি অভিহিত কৰে। তেওঁ কয় যে এই বুজাবুজিৰ চুক্তিয়ে ৰাজ্যখনৰ সামগ্ৰিক বিকাশৰ অপৰিসীম সম্ভাৱনা বহন কৰিছে। ৰাজ্যত প্ৰথমবাৰৰ বাবে কেতবোৰ নিৰ্দিষ্ট খণ্ডত মানসম্পন্ন সেৱা প্ৰদানৰ ক্ষেত্ৰত জিলা প্ৰশাসনক সহায় কৰিবলৈ এনে এক উদ্ভাৱনীমূলক ব্যৱস্থা হাতত লোৱা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই আই আই এম বেংগালুৰুক ৰাজ্য চৰকাৰৰ সৈতে এই পদক্ষেপত অংশীদাৰিত্ব কৰাৰ বাবে ধন্যবাদ জনায় আৰু আশা প্ৰকাশ কৰে যে এই পদক্ষেপে ৰাজ্যবাসীক সেৱা প্ৰদানৰ দিশত বহু যোগাত্মক পৰিৱৰ্তন আনিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহে বিভিন্ন খণ্ডত দ্ৰুত অগ্ৰগতিৰ সাধন কৰিবলৈ সক্ষম হৈছে। অঞ্চলটোৰ বিকাশ আৰু উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীয়ে জনসাধাৰণক নতুন আশা, শক্তি আৰু সাহস প্ৰদান কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে অসমৰ দ্ৰুত অৰ্থনৈতিক বিকাশৰ ফলত বিগত পাঁচ বছৰত ৰাজ্যৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন দুগুণ বৃদ্ধি পাইছে। ৰাজ্যখন আকাংক্ষিত বিকাশৰ দিশে ধাৱমান হৈছে বুলি মন্তব্য কৰি ডঃ শৰ্মাই কয় যে শীঘ্ৰে অসমে আনকি দেশৰ বিকাশতো উল্লেখযোগ্য অৰিহণা যোগাবলৈ সক্ষম হব।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই লগতে কয় যে ৰাজ্য চৰকাৰে প্ৰশাসন ব্যৱস্থাত এক শক্তিশালী পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ বাবে কাম কৰিছে। ৰাজ্যখনৰ অবিৰত বিকাশৰ বাবে জিলা পৰ্যায়ৰ পৰাই এক সবল প্ৰশাসন ব্যৱস্থা গঢ়িবলৈ পদক্ষেপ লোৱা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীৰ যুৱ পেছাদাৰী কাৰ্যসূচীৰ জৰিয়তে বহনক্ষম উন্নয়নৰ লক্ষ্যৰ সূচকাংকৰ ওপৰত জিলা পৰ্যায়ত গঠনমূলক পৰিৱৰ্তন আনিবলৈ তথা অসমৰ বিকাশমুখী পদক্ষেপসমূহ ত্বৰান্বিত কৰাত সহায় হোৱাকৈ যুৱ পেছাদাৰীসকলক আমন্ত্ৰণ জনোৱাৰ পদক্ষেপ লোৱা হৈছে বুলি তেওঁ কয়।

উল্লেখ্য যে সৰ্বমুঠ ৭৫ জন পেছাদাৰীৰে মুখ্যমন্ত্ৰীৰ যুৱ পেছাদাৰী কাৰ্যসূচীৰ ২০২৩-২৫ বৰ্ষৰ গোটটো গঠন কৰা হব। ইয়াৰে দুগৰাকীকৈ মুঠ ৭০ গৰাকীক ৰাজ্যৰ ৩৫খন জিলাত নিযুক্তি দিয়া হ'ব। ৰাজ্যৰ মুখ্য কাৰ্যালয়ত এজনকৈ এনে পেছাদাৰী যুৱক-যুৱতীক স্বাস্থ্য, শিক্ষা আৰু মহিলা আৰু শিশু উন্নয়ন বিভাগ, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান আৰু সমগ্ৰ শিক্ষা অভিযানত জড়িত কৰা হ'ব। এই গোটটো চিনাক্তকৰণৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। এই কাৰ্যসূচীত জড়িত হবলৈ যোগ্যতাৰ অৰ্হতা হিচাপে প্ৰাৰ্থীসকল সমাজ বিজ্ঞান, সমাজসেৱা, ৰাজহুৱা নীতি, জনস্বাস্থ্য, লোকপ্ৰশাসন, আইন, অৰ্থনীতি বা মেনেজমেণ্টৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী হব লাগিব আৰু প্ৰৱেশ পৰীক্ষা আই আই এম বেংগালুৰুৰ দ্বাৰা পৰিচালিত হ'ব।

এই কাৰ্যসূচী ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, সমগ্ৰ শিক্ষা অভিযান, পোষণ অভিযান ২.০ আৰু অন্যান্য ধ্বজাবাহী আঁচনিৰ ৰূপায়নত উপায়ুক্তসকলক সহায় কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰা হৈছে। জনসাধাৰণৰ কল্যাণৰ বাবে চৰকাৰী নীতি ৰূপায়ণত জিলা প্ৰশাসনক এই যুৱ পেছাদাৰীসকলে সহায় কৰিব। আনহাতে দুবছৰ সম্পূৰ্ণ হোৱাৰ পিছত যুৱ পেছাদাৰীসকলে আইআইএম বেংগালুৰুৰ পৰা ৰাজহুৱা নীতি আৰু পৰিচালনাৰ প্ৰমাণ পত্ৰ লাভ কৰিব।

আজিৰ অনুষ্ঠানত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ চৰকাৰী বিষয়া উপস্থিত থাকে।

**সুঃদঃ / বীঃগঃ**
**১৪/১১/২০২২**